**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-11-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাৰতক এখন উন্নত দেশ হিচাপে গঢ়ি তোলাৰ বাবে সকলো নাগৰিকে ‘ৰাষ্ট্ৰ প্ৰথম’ নীতি গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰিছে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি লাওছৰ ৰাজধানী ভিয়েনটিয়ানত জাপানৰ প্ৰতিৰক্ষা মন্ত্ৰী জেনেৰেল নিকাটানিক সাক্ষাৎ কৰে।

৩। ভাৰতে আজাৰবাইজানৰ বাকুত অনুষ্ঠিত চি অ’ পি টুৱেণ্টি নাইনৰ পূৰ্ণাংগ অধিৱেশনত জলবায়ুৰ ক্ষেত্ৰত পৰ্যাপ্ত বিত্তীয় সাহায্যৰ পৰিৱৰ্তে জলবায়ু পৰিৱৰ্তন হ্ৰাস কৰাৰ বিষয়ত গুৰুত্ব দিয়াৰ বাবে নিৰাশা ব্যক্ত কৰিছে।

৪। বিজেপিৰ সভাপতি জে পি নাড্ডাই মণিপুৰৰ পৰিস্থিতি উত্তেজনাপূৰ্ণ কৰি তোলা বুলি কংগ্ৰেছক অভিযোগ কৰিছে।

আৰু

৫। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত পাৰ্থত অনুষ্ঠিত প্ৰথম টেষ্টৰ আজি প্ৰথম দিনা ভাৰতৰ শোচনীয় প্ৰদৰ্শন। প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ভাৰতে ১৫০ ৰান সংগ্ৰহ কৰে।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাৰতক এখন উন্নত দেশ হিচাপে গঢ়ি তোলাৰ বাবে সকলো নাগৰিকে ‘ৰাষ্ট্ৰ প্ৰথম’ নীতি গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰিছে। হায়দৰাবাদত অনুষ্ঠিত লোক মন্থনৰ চতুৰ্থ সংস্কৰণত ভাষণ দি ৰাষ্ট্ৰপতিয়ে কয়, যে বিভিন্ন ক্ষেত্ৰত থকা বিবিধতাৰ সত্ত্বেও দেশক একত্ৰিত কৰি ৰাখিবৰ বাবে ভাৰতীয় সংস্কৃতি, ভাষা, পৰম্পৰা আৰু জ্ঞানক আগবঢ়াই নিয়াটো দৰকাৰ। শ্ৰীমতী মুৰ্মুৱে আজি হায়দৰাবাদৰ আন্তঃৰাষ্ট্ৰীয় সাংস্কৃতিক মহোৎসৱ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। দাসত্বৰ মানসিকতাৰ পৰিৱৰ্তন হ’লেহে সামাজিক বৈষম্য আঁতৰ হ’ব বুলি উল্লেখ কৰি ৰাষ্ট্ৰপতি মুৰ্মুৱে নতুন ফৌজদাৰী আইন ৰূপায়ণ, ৰাষ্ট্ৰপতি ভৱনৰ দৰবাৰ হলৰ নাম পৰিৱৰ্তন আৰু ন্যায়ৰ প্ৰতিমূৰ্তিৰ চকুত বান্ধি ৰখা ক’লা কাপোৰ আঁতৰ কৰাৰ দৰে শেহতীয়াকৈ চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানত তেলেংগানাৰ ৰাজ্যপাল জিষ্ণু দেৱ বাৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী জি কিষাণ ৰেড্ডী, আৰ এছ এছ সৎসংঘ চালক মোহন ভাগৱতকে ধৰি বহুকেইগৰাকী ব্যক্তি উপস্থিত থাকে।

০০০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি লাওছৰ ৰাজধানী ভিয়েনটিয়ানত জাপানৰ প্ৰতিৰক্ষা মন্ত্ৰী জেনেৰেল নিকাটানিক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী সিঙে কয়, যে জেনেৰেল নিকাটানিৰ সৈতে তেওঁ এটা ফলপ্ৰসূ আলোচনাত মিলিত হয়। শ্ৰী সিঙে দুয়োখন দেশৰ মাজৰ অংশীদাৰিত্বই মুক্ত আৰু নিয়ম আধাৰিত ভাৰত-প্ৰশান্ত মহাসাগৰীয় খণ্ড সুনিশ্চিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা ব্যক্ত কৰে। শ্ৰী সিঙে লগতে ফিলিপিন্‌ছৰ প্ৰতিৰক্ষা সচিব গিলবাৰ্টো টেওডুৰোকো সাক্ষাৎ কৰে। তেওঁ কয়, যে এক্ট-ইষ্ট নীতি আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় দৰ্শনৰ ফিলিপিন্‌ছ হৈছে গুৰুত্বপূৰ্ণ অংশীদাৰ। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে লগতে দেশখনৰ সৈতে প্ৰতিৰক্ষা সহযোগিতা শক্তিশালী তথা বৃদ্ধি কৰাৰ ক্ষেত্ৰত ভাৰত বদ্ধপৰিকৰ বুলি মন্তব্য কৰে।

০০০০০০০০০

ভাৰতে আজাৰবাইজানৰ বাকোত অনুষ্ঠিত চি অ’ পি 29 ৰ পূৰ্ণাংগ অধিৱেশনত জলবায়ুৰ ক্ষেত্ৰত পৰ্যাপ্ত বিত্তীয় সাহায্যৰ পৰিৱৰ্তে জলবায়ু পৰিৱৰ্তন হ্ৰাস কৰাৰ বিষয়ত গুৰুত্ব দিয়াৰ বাবে নিৰাশা ব্যক্ত কৰিছে। পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে কৈছে যে ভাৰতে সম বিচাৰ সম্পন্ন উন্নয়নশীল দেশসমূহৰ হৈ বলিভিয়াই প্ৰকাশ কৰা বক্তব্যৰ সমৰ্থনত নিজৰ স্থিতি স্পষ্ট কৰি দিয়ে। ভাৰতে কয়, যে গোলকীয় দক্ষিণৰ দেশসমূহে একেৰাহে জলবায়ু পৰিৱৰ্তনৰ ব্যাপক প্ৰভাৱৰ সন্মুখীন হৈ অহাৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ বিৰুদ্ধে হোৱা যুঁজখন জলবায়ু পৰিৱৰ্তন সন্দৰ্ভত ৰাষ্ট্ৰসংঘৰ ৰূপৰেখা সন্মিলন অৰ্থাৎ ইউ এন এফ চি চি চি আৰু পেৰিছ চুক্তি অনুসৰি হ’ব লাগে। ভাৰতে জলবায়ু পৰিৱৰ্তনৰ সমস্যাৰ সমাধান হিচাপে ৫টা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰে। সেইকেইটা হৈছে – জলবায়ু সাহায্যৰ ক্ষেত্ৰত নতুন সামুহিক পৰিমাণিকৰণ লক্ষ্য, ইয়াৰ প্ৰভাৱ হ্ৰাস কৰা কাৰ্যসূচী, ন্যায়োচিত পৰিৱৰ্তন, গোলকীয় ষ্টকটেক আৰু অভিযোজন।

০০০০০০০০০

বিজেপিৰ সভাপতি জে পি নাড্ডাই মণিপুৰৰ পৰিস্থিতি উত্তেজনাপূৰ্ণ কৰি তোলা বুলি কংগ্ৰেছক অভিযোগ কৰিছে। কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই মণিপুৰৰ হিংসাত্মক ঘটনা সন্দৰ্ভত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুলৈ প্ৰেৰণ কৰা এখন পত্ৰৰ প্ৰতি সঁহাৰি জনাই শ্ৰী

নাড্ডাই এই অভিযোগ তোলে। বিজেপিৰ সভাপতিগৰাকীয়ে শ্ৰী খাৰ্গেলৈ লিখা পত্ৰখনত উল্লেখ কৰে যে সুৰক্ষা আৰু প্ৰশাসনিক ব্যৱস্থাৰ ক্ষেত্ৰত ৰাজ্য আৰু কেন্দ্ৰত থকা পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দায়িত্বহীন ৰণনীতি হৈছে উগ্ৰপন্থী আৰু হিংসা বিয়পোৱা সংস্থাসমূহে মণিপুৰৰ শান্তি বিঘ্নিত কৰাৰ মূল কাৰণ। তেওঁ কয় যে বিগত ১০ বছৰৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনীতি, নিৰাপত্তা, স্বাস্থ্য, শিক্ষা, বিকাশৰ সুযোগ আদিকে ধৰি প্ৰতিটো খণ্ডত বৃহৎ পৰিৱৰ্তন সাধন কৰা হৈছে। পূৰ্বে উত্তৰ পূৰ্বাঞ্চল খণ্ডত প্ৰায় প্ৰতিদিনে গুলী-চালনা বা বোমা বিস্ফোৰণৰ ঘটনা সংঘটিত হৈছিল বুলি উল্লেখ কৰি শ্ৰী নাড্ডাই লগতে কয়, যে স্বাধীনতাৰ পাছত প্ৰথমবাৰৰ বাবে এই খণ্ডই শান্তি, সমৃদ্ধি আৰু বিকাশৰ সাক্ষী হৈছে। শ্ৰী নাড্ডাৰ পত্ৰৰ প্ৰতি সঁহাৰি জনাই কংগ্ৰেছ নেতা জয়ৰাম ৰমেশে কয়, যে মণিপুৰৰ জনসাধাৰণে ৰাজ্যখনত যিমান পাৰি সোনকালে স্বাভাৱিক পৰিস্থিতি ঘূৰি অহাৰ লগতে শান্তি আৰু ঐক্য কামনা কৰিছে।

ooooooooo

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত পাৰ্থত অনুষ্ঠিত প্ৰথম টেষ্টৰ আজি প্ৰথম দিনা ভাৰতীয় বেটছমেনসকলে অষ্ট্ৰেলিয়াৰ বেগী বলাৰৰ সন্মুখীন হৈ শোচনীয় প্ৰদৰ্শন আগবঢ়াইছে। ভাৰতে টছত জিকি প্ৰথমে বেট ধৰি প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই কেৱল ১৫০ ৰানহে সংগ্ৰহ কৰে।

হেজেলউদে ২৯ ৰান দি চাৰিটা আৰু মাইকেল ষ্টাৰ্ক আৰু পে'ট কামিংছে দুটাকৈ উইকেট সংগ্ৰহ কৰে। ভাৰতৰ হৈ নীতিশ ৰেড্ডীয়ে সৰ্বাধিক ৪১ ৰান সংগ্ৰহ কৰে। ঋষভ পণ্টে ৩৭ আৰু কে এল ৰাহুলে ২৬ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত প্ৰথম ইনিংছ আৰম্ভ কৰি অষ্ট্ৰেলিয়াও বিপৰ্যয়ৰ সন্মুখীন হৈছে আৰু এতিয়ালৈকে কেৱল ২০ ৰানত তিনিটা উইকেট হেৰুৱাইছে। আটাইকেইটা উইকেট অধিনায়ক যশপ্ৰীত বুমৰাই দখল কৰিছে।

ooooo

ছত্তীশগড়ত আজি নিৰাপত্তাৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষত কমেও ১০জন মাওবাদী নিহত হয়। চুকমা জিলাৰ কন্টা অঞ্চলত চি আৰ পি এফ আৰু জিলা ৰিজাৰ্ভ গাৰ্ড-ডি আৰ জিৰ যুটীয়া দল এটাই অঞ্চলটোত মাওবাদীৰ উপস্থিতিৰ বিষয়ে চোৰাংচোৱাৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত তালাচী অভিযান চলাইছিল। অভিযানৰ সময়ত ভেজ্জী অঞ্চলৰ জংঘল আৰু পাহাৰত সংঘটিত সংঘৰ্ষত মাওবাদীকেইজন নিহত হয়। ঘটনাস্থলীত নিহত মাওবাদীকেইজনৰ মৃতদেহৰ লগতে এটা এ কে ৪৭ আৰু এটা ছেল্ফ লোডিং ৰাইফলকে ধৰি বহু সংখ্যক অস্ত্ৰ-শস্ত্ৰ আৰু গোলাবাৰুদ উদ্ধাৰ কৰা হৈছে। উল্লেখ্যযোগ্য যে বৰ্তমানেও আৰক্ষীৰ তালাচী অভিযান অব্যাহত আছে ।

oooooo

মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ডৰ লগতে দেশৰ কেইবাখনো ৰাজ্যত অনুষ্ঠিত বিধানসভাৰ উপ-নিৰ্বাচনৰ ভোটগণনাৰ বাবে সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। কাইলৈ হ'বলগীয়া ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। ভোটগণনা প্ৰক্ৰিয়া স্বচ্ছ আৰু নিকা কৰাৰ বাবে নিৰ্বাচন আয়োগ আৰু জিলা বিষয়াসকলে যাৱতীয় প্ৰস্তুতি গঢ়ি তুলিছে।

অসমৰ বঙাইগাঁও, ছিদলী, চামগুৰি, বিহালী আৰু ধলাই বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগণনাৰ বাবে সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। কাইলৈ পুৱা ৮ বজাত আটাইকেইটা সমষ্টিত একেলগে ভোটগণনা আৰম্ভ হ'ব। ভোটগণনাৰ বাবে ৮ টা হল সাজু কৰা হৈছে। ইয়াৰে ই ভি এমৰ ভোটগণনাৰ বাবে মুঠ ৬৮ খন টেবল সাজু কৰি তোলা হৈছে। ভোটগণনা প্ৰক্ৰিয়াত ৩৫০ গৰাকী চৰকাৰী বিষয়া-কৰ্মচাৰীক নিয়োজিত কৰা হৈছে। কাইলৈ প্ৰথমে প'ষ্টেল বেলট আৰু ৮৫ বছৰ বয়সৰ ঊৰ্ধৰ লোকসকলে ঘৰতে ভোটদান কৰা বেলটবোৰ গণনা কৰা হ'ব। তাৰ পাছতে ই ভি এমৰ ভোটগণনা আৰম্ভ হ'ব। সংশ্লিষ্ট জিলা প্ৰশাসনসমূহে কাইলৈৰ ভোট গণনাৰ বাবে কেন্দ্ৰসমূহত কটকটীয়া নিৰাপত্তাৰ ব্যৱস্থা কৰিছে। এই সমষ্টিকেইটাৰ উপ-নিৰ্বাচনৰ বাবে মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

ooooooo

শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কে আজি তেওঁৰ মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটাইছে। দিশানায়াকাই আজি শাসনাধিষ্ঠিত নেচনেল পিপ'ল্ছ পাৱাৰ দলৰ ২৯ গৰাকী সদস্যক উপ মন্ত্ৰী হিচাপে নিযুক্তি দিছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰপতি নিৰ্বাচিত হোৱাৰ পাছত দিশানায়কাই যোৱা সোমবাৰে ২১ গৰাকী মন্ত্ৰীক কেবিনেট মন্ত্ৰীৰূপে মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰিছিল। প্ৰধানমন্ত্ৰীৰূপে দিশানায়কে পুনৰ নিযুক্তি দিয়া প্ৰধানমন্ত্ৰী হৰিণী অমৰাচুৰীয়াৰ লগতে সোমবাৰে শপতগ্ৰহণ কৰা আনসকলৰ ভিতৰত পূৰ্বৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী বিজিতা হেৰথো আছে। শ্ৰীলংকাৰ সংবিধানত ৰাষ্ট্ৰপতি প্ৰধান মন্ত্ৰীসভাত সৰ্বাধিক ৩০ গৰাকী কেবিনেট আৰু ৪০ গৰাকী উপ-মন্ত্ৰীক অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা আছে।

0000000

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

0000000

অসমৰ দুগৰাকী খেলুৱৈ নয়ণমণি শইকীয়া আৰু পুতুল সোণোৱালে অহা ২৫ নৱেম্বৰৰ পৰা নিউজিলেণ্ডৰ অকলেণ্ডত হ'বলগীয়া বিশ্ব ব'ল্ছ চেম্পিয়নছ অব্ চেম্পিয়নছ প্ৰতিযোগিতাত ভাৰতক প্ৰতিনিধিত্ব কৰিব। খেলুৱৈ দুগৰাকীয়ে ইতিমধ্যে অকলেণ্ডলৈ বুলি ৰাওনা হৈছে। বিশ্ব ব'ল্ছ লিমিটেড শীৰ্ষ চেম্পিয়নশ্বিপত কেৱল ৰাষ্ট্ৰীয় চেম্পিয়নছসকলকহে নিজ নিজ দেশক প্ৰতিনিধিত্ব কৰাৰ বাবে অনুমতি প্ৰদান কৰা হয়। অসমৰ ল'ন বলিং সংস্থাৰ সভাপতি দুৰ্গা দাস বড়ো আৰু সম্পাদক নৱ বসুমতাৰীয়ে খেলুৱৈ দুগৰাকীক শুভেচ্ছা জ্ঞাপন কৰিছে।

000000000

সমাপ্ত